# অসম জাতীয় বিদ্যালয়
**Assam Jatiya Bidyalay**

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/০৮/২৬-২৭
*Ref* :

তাৰিখ : ০৮-০৭-২০২৬
*Date* :

## অসম জাতীয় বিদ্যালয়ত সৃজনীমূলক লিখনী বিষয়ক কৰ্মশালা সম্পন্ন

**গুৱাহাটী, ৮ জুলাই, ২০২৬ :** শিক্ষাৰ্থীসকলৰ মাজত সৃজনশীলতাৰ বিকাশৰ লক্ষ্যৰে অসম জাতীয় বিদ্যালয়ৰ ৰসৰাজ সাহিত্য চ'ৰাৰ উদ্যোগত সৃষ্টিশীল লিখনিৰ এখনি কৰ্মশালা অনুষ্ঠিত কৰা হয়। বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ মুঠ ৮০ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাত ৰাজ্যখনৰ তিনিগৰাকী বিশিষ্ট লেখক সমল ব্যক্তি হিচাপে উপস্থিত থাকে। উক্ত কাৰ্য্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকি বিশিষ্ট গল্পকাৰ, শিশু সাহিত্যিক অপু ভৰদ্বাজে গল্প লেখনৰ বিভিন্ন দিশ, কৌশল তথা উৎকৃষ্ট সাহিত্য পঠনৰ অভ্যাসৰ প্ৰয়োজনীয়তাৰ কথা শিক্ষাৰ্থীসকলক অৱগত কৰে। আনগৰাকী সমল ব্যক্তি জনপ্ৰিয় স্তম্ভ লিখক ৰ'দালি চেতিয়াই প্ৰবন্ধ লিখাৰ সময়ত প্ৰয়োজন হোৱা গুৰুত্বপূৰ্ণ দিশসমূহৰ কথা উল্লেখ কৰে। প্ৰবন্ধৰ প্ৰকাশভংগী, বিশেষকৈ আৰম্ভণি অংশ আকৰ্ষণীয় হ'ব লাগে বুলি তেওঁ শিক্ষাৰ্থীসকলক পৰামৰ্শ আগবঢ়ায়। বিশিষ্ট ঔপন্যাসিক, গল্পকাৰ মেঘনা চৌধুৰীয়ে উপন্যাস আৰু গল্প লিখাৰ বিভিন্ন দিশ আলোকপাত কৰি শব্দচয়ন তথা ভাল গল্প বা উপন্যাস পঠনৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। তিনিওগৰাকী সমল ব্যক্তিয়ে শিক্ষাৰ্থীসকলৰ বিভিন্ন লেখাৰ ভুল, ত্ৰুটিসমূহ আঙুলিয়াই দেখুৱাই পৰামৰ্শ আগবঢ়ায়। আজিৰ এই কাৰ্য্যসূচীত বিদ্যালয়খনৰ শিক্ষক অভিজিত চক্ৰৱৰ্ত্তী, উৎপল ডেকা, কবিতা পাটগিৰি, পল্লৱী গোস্বামী, ৰশ্মি দেৱ চৌধুৰী, অপৰ্ণা দেৱী, দোলন বৰাকে আদি কৰি বিদ্যালয়ৰ বহুকেইগৰাকী শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়